# অৱতৰণিকা

**প্ৰস্তাৱনা ঃ**

অসমৰ সাহিত্য-সংস্কৃতি আৰু জাতীয় জীৱনলৈ যিসকল ব্যক্তিয়ে বিভিন্ন সময়ত বিভিন্ন বৰঙণি আগবঢ়াই গৈছে, সেইসকল ব্যক্তিৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ স্থান অন্যতম। বিষ্ণু ৰাভাই সাহিত্য-সংস্কৃতিৰ জগতখনৰ লগতে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ৰণতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। আন্দোলনত অংশগ্ৰহণৰ প্ৰথমাৱস্থাত মহাত্মা গান্ধীৰ অহিংসা সত্যাগ্ৰহত যোগ দিছিল যদিও পিছৰ পিনে তেওঁ সশস্ত্ৰ বিপ্লৱী সংগ্ৰামৰ পিনে ঢাল খায়। বিষ্ণু ৰাভাই সমাজখনত চলি অহা শোষণ আৰু শ্ৰেণী বৈষম্য দেখি সমাজৰ পৰিৱৰ্তনৰ কথা চিন্তা কৰিছিল। ইংৰাজ শাসন আৰু তাৰ পৰৱৰ্তী সময়ত ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছতো সমাজত দেখা দিয়া সৰ্বহাৰা শ্ৰমিক-বনুৱা শ্ৰেণীৰ শোষণ-বঞ্চনাই ৰাভাৰ হৃদয়ক কঁপাই তুলিলে। ৰাভাই সৰ্বহাৰা শ্ৰেণীটোৰ মুক্তিৰ বাবে কাৰ্ল মাৰ্ক্স, এঙ্গেলচ্, লেনিন, মাও-চে-তুঙৰ ৰচনাৰ লগতে কমিউনিষ্টৰ ভাবধাৰাসমূহ গভীৰভাৱে অধ্যয়ন কৰিলে। ৰাভাই এখন ভেদাভেদহীন সাম্যসমাজ গঢ়াৰ সংকল্প ল'লে। তৎকালীন সমাজত চলি অহা শ্ৰেণীবৈষম্য, কৃষক-বনুৱা, নিষ্পেষিত শ্ৰেণীৰ মুক্তিৰ বাবে মাৰ্ক্স, লেনিনে দেখুৱাই যোৱা সাম্যবাদী পথেহে এই শ্ৰেণীটোৰ প্ৰকৃত মুক্তিৰ পথ দেখুৱাব পাৰিব বুলি বিশ্বাস কৰি 'ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টিত' যোগদান কৰিলে। সংগঠনত যোগদান কৰিয়েই তেওঁ শ্ৰমিক আৰু কৃষকৰ অধিকাৰৰ হকে আধিয়াৰ আন্দোলনত নামি পৰিল।

পৰাধীন ভাৰতত ইংৰাজ আৰু কিছু সুবিধাবাদী ভাৰতীয়ই ইংৰাজৰ গোলামী কৰি সাধাৰণ শ্ৰেণীৰ মানুহখিনিৰ ওপৰত অত্যাচাৰ কৰিছিল। এই অত্যাচাৰ-শোষণৰ পৰা মুক্তি বিচাৰি ভাৰতৰ মানুহে স্বাধীনতা সংগ্ৰাম কৰিলে ঠিকেই, কিন্তু পৰৱৰ্তী সময়ত ভাৰতে যেতিয়া ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰিলে তেতিয়াও সাধাৰণ জনগণৰ কোনো লাভ নহ'ল। স্বাধীন ভাৰতত সৰ্বহাৰা শ্ৰেণীটোৰ ওপৰত একে ধৰণেই শোষণ আৰম্ভ কৰিলে নতুনকৈ গঢ় লৈ উঠা জমিদাৰী-পুঁজিবাদী শ্ৰেণীটোৱে। ভাৰতৰ মানুহখিনিয়ে যি আশা আৰু আস্থাৰে স্বাধীনতা সংগ্ৰামত যোগ দিছিল বাস্তৱত সেয়া হৈ নুঠিল। সৰ্বহাৰা শ্ৰেণীটোৰ ওপৰত শোষণ-নিপীড়ন চলিয়েই থাকিল। স্বাধীনতা প্ৰাপ্তিয়ে সাধাৰণ জনসাধাৰণৰ ওপৰত ইমান বছৰে কৰি অহা শোষণৰ অন্ত

পৰিব বুলি নতুন চৰকাৰৰ পৰা আশা কৰিলে যদিও ভাৰতৰ শ্ৰমিক-কৃষক শ্ৰেণীৰ অৱস্থাৰ কোনো পৰিৱৰ্তন নহ'ল। দেশত অকল ক্ষমতাৰহে হস্তান্তৰ হ'ল সাধাৰণ মানুহৰ কিন্তু দুখৰ ওৰ নপৰিল। স্বাধীনতা প্ৰাপ্তিৰ প্ৰথম অৱস্থাতে সমাজখনৰ কোনো পৰিৱৰ্তন দেখা নাপাই বিষ্ণু ৰাভাকে আদি কৰি অন্যান্যসকলৰো চলিত ব্যৱস্থাৰ প্ৰতি মোহ ভংগ হ'ল। কমিউনিষ্ট ৰাভাই সাম্যবাদী সমাজৰ প্ৰতিষ্ঠা বিচাৰিছিল। ৰাভাই শোষণকাৰী জমিদাৰ-মহাজন, পুঁজিবাদীসকলক সাৱধানবাণী শুনালে। কৃষক-বনুৱাসকলৰ প্ৰাপ্য অধিকাৰৰ বাবে তেওঁ কৃষক আন্দোলনত নামি পৰিল। কৃষক আন্দোলনৰ শ্লোগান আছিল 'নাঙল যাৰ মাটি তাৰ'। আন্দোলনকাৰীসকলৰ হিংসাত্মক কাৰ্য ক্ৰমাত বৃদ্ধি পোৱাত চৰকাৰে সংগঠনটো বে-আইনী ঘোষণা কৰে। ৰাভাই অন্যান্যসকলৰ লগত আত্মগোপন কৰে। ৰাভাই আত্মগোপনৰ এই সময়ছোৱাক অজ্ঞাতবাস বুলিছে।

বিষ্ণুপ্ৰসাদ ৰাভাই সাহিত্যৰ বিভিন্ন ভাগসমূহ ৰচনা কৰিছিল। পৈনত বয়সত মাৰ্ক্সবাদৰ গভীৰ অধ্যয়নে তেওঁৰ সাহিত্যৰ ওপৰত প্ৰভাৱ পেলাইছিল। পুঁজিবাদী-সামন্ততান্ত্ৰিক সমাজখনৰ পৰা সমাজতান্ত্ৰিক সাম্যসমাজলৈ সামাজিক উত্তৰণৰ বাবে ৰাভাই প্ৰচণ্ড বিপ্লৱ কৰিছিল। সেই বিপ্লৱৰ প্ৰতিফলন তেওঁৰ সাহিত্যৰ পাতে পাতে বিদ্যামান।

**গৱেষণাৰ বিষয় ঃ**

আমাৰ গৱেষণাৰ বিষয় হ'ল ***'বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যসমগ্ৰত মাৰ্ক্সবাদী আদৰ্শ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'***। বিষয়বস্তুৰ লগত সংগতি ৰাখি বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত মাৰ্ক্সীয় আদৰ্শৰ লগত জড়িত দিশসমূহ গ্ৰন্থখনিত আলোচনা কৰা হ'ব। বিষ্ণু ৰাভাই মাৰ্ক্সবাদৰ লগত জড়িত বিভিন্ন গ্ৰন্থ গভীৰভাৱে অধ্যয়ন কৰিছিল। তেওঁৰ অধিকসংখ্যক ৰচনাত ইয়াৰ প্ৰভাৱ পৰা দেখা যায়। ৰাভাৰ সাহিত্যত সৰ্বসাধাৰণ জনগণৰ শোষণ-নিপীড়ন, বঞ্চনা, অৰ্থনৈতিক-ৰাজনৈতিকভাৱে শোষণ, অত্যাচাৰ, পুঁজিবাদ সামন্ততান্ত্ৰিক ব্যৱস্থাৰ বিৰোধিতা কৰিছে।

বিষ্ণুপ্ৰসাদ ৰাভাই তেওঁৰ সাহিত্য সমগ্ৰত কিদৰে মাৰ্ক্সবাদী দৰ্শনৰ প্ৰয়োগ কৰিছে আৰু এই দৰ্শনে তেওঁৰ সাহিত্যসমগ্ৰক কি নতুনত্বৰ প্ৰসংগৰে সমাবৃত কৰিছে। তাকেই আমাৰ গৱেষণা-গ্ৰন্থত সেই বিষয়ে আলোচনা কৰিবলৈ প্ৰযত্ন কৰা হৈছে।

**গৱেষণাৰ উদ্দেশ্য আৰু তাৎপৰ্য ঃ**

গৱেষণা কাৰ্যই সদায় নতুনৰ সন্ভেদ দিয়ে। এটা উদ্দেশ্য আগত ৰাখিয়েই এই কাৰ্যত আগবঢ়া হয়। গৱেষণাৰ লক্ষ্য কি এই বিষয়ে নগেন শইকীয়াই দিয়া মন্তব্যটি উল্লেখযোগ্য "গৱেষণাৰ ঘাই লক্ষ্যই হ'ল কোনো এটা বিষয় সম্পৰ্কে সত্য অন্বেষণ কৰা আৰু তাৰ দ্বাৰা বিষয়টো সম্পৰ্কে নতুন জ্ঞান, তথ্য আৰু সিদ্ধান্ত আগবঢ়োৱা।" (শইকীয়া, গৱেষণা পদ্ধতি পৰিচয়, পৃ. ৪)। বিষয়টি অধ্যয়ন কৰি বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাসমূহত মাৰ্ক্সবাদী দৰ্শন কিদৰে প্ৰকাশিত হৈছে সেয়া উন্মোচিত কৰাই আমাৰ গৱেষণাৰ ঘাই উদ্দেশ্য।

সাহিত্য সমগ্ৰত মাৰ্ক্সবাদী দৰ্শনৰ প্ৰকাশে যে বিষ্ণু ৰাভাৰ ব্যক্তিগত জীৱনকো প্ৰবুদ্ধ কৰিছিল সেই সত্যৰ অন্বেষণো এই গৱেষণাৰ বিশেষ তাৎপৰ্য। সময় সলনি হয়। 'নল মৰে, গজালি ওলায়।' বিষ্ণু ৰাভা আজি কায়িকভাৱে নাই, কিন্তু তেওঁৰ সাহিত্যত প্ৰতিফলিত মাৰ্ক্সবাদী ধাৰণাৰ অধ্যয়ন যে আজিও সমাজত সমতাৰ গজালি মেলাৰ বাবে অন্যতম প্ৰসংগৰূপে বিবেচিত সেই সত্যৰ তাৎপৰ্য এই গৱেষণাই বহন কৰিব বুলি আশা কৰা হৈছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ বিশাল সাহিত্যৰাজিৰ বিভিন্ন দিশ সম্পৰ্কে বৰ বেছি অধ্যয়ন হোৱা নাই। বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু সাহিত্যৰাজিক লৈ মাত্ৰ তিনিগৰাকী গৱেষকে গৱেষণা-গ্ৰন্থ প্ৰস্তুত কৰিছে। সেইকেইখন হৈছে— হেমলতা দেৱীৰ *'বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন আৰু কৰ্ম'*(গুৱাহাটী বিশ্ববিদ্যালয়, ২০০০), দীপ্তি বৰা *'বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৰাজিত লোক-সাংস্কৃতিক উপাদান ঃ বিশ্লেষণাত্মক অধ্যয়ন'*(গুৱাহাটী বিশ্ববিদ্যালয়, লোক-সংস্কৃতি বিভাগ, ২০০৩) আৰু বিজয়া বড়াৰ *'বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যৰ ভাষা ঃ এটি অধ্যয়ন'* (গুৱাহাটী বিশ্ববিদ্যালয়, আধুনিক ভাৰতীয় ভাষা বিভাগ, ২০১৫)। বিষ্ণুপ্ৰসাদ ৰাভা ব্যক্তিজনৰ বিষয়ে বহুতো আলোচনা হৈছে কিন্তু তেওঁৰ সাহিত্যত মাৰ্ক্সবাদী বা সংগ্ৰামী দৰ্শন সম্পৰ্কে বৰ বিশেষ আলোচনা হোৱা নাই। সেয়েহে তেওঁৰ সাহিত্য সমগ্ৰত মাৰ্ক্সীয় দৰ্শন কিদৰে প্ৰতিফলিত হৈছে পৰীক্ষা কৰি চোৱাৰ প্ৰয়োজন আছে। এইবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখি গৱেষণাৰ বিষয়টোৱে যাতে অধ্যয়নৰত ব্যক্তিৰ চিন্তাধাৰত প্ৰভাৱ পেলাব পাৰে সেই কথাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই গৱেষণাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছে। আমাৰ সীমিত জ্ঞান আৰু অধ্যয়নৰ যোগেদি যিমানখিনি সম্ভৱ হৈছে সেইখিনিহে আলোচনা কৰিবলৈ

প্ৰয়াস কৰিছো। এই বিষয়টিৰ ওপৰত গৱেষণাৰ আৰু অধিক সুযোগ আছে। পৰৱৰ্তী গৱেষকৰ বাবে আমি বাট ৰাখি থ'লো।

**গৱেষণাৰ পৰিসৰ ঃ**

এই কথা পূৰ্বতেই কোৱা হৈছে যে পৈনত স্তৰত মাৰ্ক্সবাদেই হৈ পৰিছিল বিষ্ণু ৰাভাৰ সংগ্ৰামী সত্তা। সেই সত্তাই তেওঁৰ মন, মস্তিষ্ক, বিবেক, আত্মা আৰু সাহিত্যক এনেভাৱে প্ৰভাৱান্বিত কৰিছিল যে তেওঁৰ প্ৰায়বোৰ সাহিত্যতেই মাৰ্ক্সবাদী দৰ্শনৰ স্ফুৰণ ঘটা দেখা যায়। সেইবুলিয়েই তেওঁ যে এই দৰ্শনৰ ছিটিকণি নথকা কোনোধৰণৰ সাহিত্যই ৰচনা কৰা নাছিল তেনে কথাও নহয়। আমাৰ গৱেষণাত সেইখিনি সাহিত্যক বাদ দিয়া হৈছে। মাৰ্ক্সবাদী দৰ্শনেৰে বিবেচিত তেওঁৰ সাহিত্য সমগ্ৰৰ প্ৰসংগ বিচাৰতহে আমাৰ এই গৱেষণাৰ উদ্দেশ্য। তদুপৰি নিৰ্দিষ্ট সময় আৰু কলেৱৰৰ ভিতৰত গৱেষণা কাৰ্যক সীমাবদ্ধ ৰাখিবলগীয়া হোৱা হেতুকেও সেইখিনি ৰচনাক ইয়াত বাদ দি ৰখা হৈছে।

**গৱেষণা পদ্ধতি ঃ**

গৱেষণা হৈছে অনুসন্ধান কাৰ্য। কিন্তু এই অনুসন্ধান কৰিবলৈ হ'লে প্ৰণালীবদ্ধভাৱে আগবাঢ়িব লাগিব তেতিয়াহে গৱেষণাৰ কাৰ্য সু-শৃংখলভাৱে পৰিচালিত হ'ব। আমাৰ এই অধ্যয়নৰ বাবে মূলতঃ বিশ্লেষণাত্মক পদ্ধতিৰ লগতে বৰ্ণনাত্মক পদ্ধতিও গ্ৰহণ কৰা হৈছে। গৱেষণা-গ্ৰন্থৰ সূত্ৰনিৰ্দেশ, প্ৰসংগটোকা, গ্ৰন্থপঞ্জী আৰু আন আনুষংগিক প্ৰয়োজনত MLA Hand Book for Writers of Research Paperৰ সপ্তম সংস্কৰণৰ নীতি অৱলম্বন কৰা হৈছে। প্ৰসংগ টোকাৰ অনুবাদবোৰ গৱেষকে নিজেই কৰিছে। ইয়াত অনুবাদবোৰ কেৱল গৱেষণাৰ খাতিৰতহে কৰা হৈছে।

**গৱেষণাৰ সমল ঃ**

গৱেষণা-গ্ৰন্থখনত মুখ্য সমল হিচাপে ৰাভা ৰচনাৱলী প্ৰকাশন সংঘই প্ৰকাশ কৰা 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' (১ম খণ্ড) আৰু 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' (২য় খণ্ড)

গ্ৰহণ কৰা হৈছে। গৌণ সমল হিচাপে অন্যান্য ৰচনাৰাজি, বিভিন্ন গ্ৰন্থ, স্মৃতিগ্ৰন্থ, আলোচনী, বাতৰি কাকত, বিভিন্ন প্ৰাসংগিক গ্ৰন্থৰ সহায় লোৱা হৈছে। গৱেষণা গ্ৰন্থৰ আলোকচিত্ৰকেইখন ইণ্টাৰনেটৰ পৰা গ্ৰহণ কৰা হৈছে। লগতে কিছুসংখ্যক মোবাইলৰ জৰিয়তে তোলা হৈছে। সমলসমূহ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত বিভিন্ন পুথিভঁড়াল, অনুষ্ঠান, প্ৰতিষ্ঠান, বিশেষভাৱে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পদ্মশ্ৰী মদাৰাম ব্ৰহ্ম কেন্দ্ৰীয় পুথিভঁড়াল, কোকৰাঝাৰ জিলা পুথিভঁড়াল, জনতা মহাবিদ্যালয়ৰ পুথিভঁড়াল, বঙাইগাঁও জিলা পুথিভঁড়াল, বৰপেটা জিলা পুথিভঁড়াল, মাধৱ চৌধুৰী মহাবিদ্যালয় পুথিভঁড়াল, বৰপেটা-হাউলী মহাবিদ্যালয়ৰ পুথিভঁড়াল, নলবাৰী জিলা পুথিভঁড়াল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ পুথিভঁড়াল, গুৱাহাটী জিলা পুথিভঁড়াল, নন্দ তালুকদাৰ ফাউণ্ডেচন, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা কেন্দ্ৰীয় পুথিভঁড়াল আৰু আমাৰ গৱেষণা গুৰু চুমী কলিতাৰ ব্যক্তিগতভাৱে সংগৃহীত গ্ৰন্থ কিছুখিনিৰো সহায় লোৱা হৈছে। কেইবাগৰাকীও বিজ্ঞ ব্যক্তিৰ সৈতে হোৱা আলোচনা-বিলোচনাইও আমাৰ গৱেষণা কৰ্মত বিশেষ সহায় আগবঢ়াইছে।

**পূৰ্বকৃত সাহিত্যৰ অধ্যয়ন ঃ**

আমাৰ প্ৰস্তাৱিত গৱেষণা-গ্ৰন্থ সম্পৰ্কে কৰা পূৰ্বকৃত অধ্যয়নত নিম্নোক্ত গ্ৰন্থসমূহ পোহৰলৈ আহিছে।

পিএইচ. ডি. ডিগ্ৰীৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত দাখিল কৰা হেমলতা দেৱীৰ *‘বিষ্ণুপ্ৰসাদ ৰাভা ঃ জীৱন আৰু কৰ্ম’* শীৰ্ষক গৱেষণা-গ্ৰন্থত বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু সাহিত্য সম্পৰ্কে আলোচনা কৰা হৈছে।

পিএইচ. ডি. ডিগ্ৰীৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগত দাখিল কৰা দীপ্তি বৰাৰ *‘বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৰাজিত লোক সাংস্কৃতিক উপাদান’* শীৰ্ষক গৱেষণা গ্ৰন্থত বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাত লোক সংস্কৃতিৰ অংগ বাচিক কলা, ভৌতিক সংস্কৃতিৰ উপাদান, লোকাচৰৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত দাখিল কৰা বিজয়া বড়াৰ *‘বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যৰ ভাষা ঃ এটি অধ্যয়ন’* শীৰ্ষক গৱেষণা-গ্ৰন্থত বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাত প্ৰয়োগ হোৱা ভাষা, ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দতত্ত্ব,

বাক্যতত্ত্ব, ছন্দ, অলংকাৰৰ প্ৰয়োগ, সমাজ ভাষাবৈজ্ঞানিকৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰিছে। বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্য অধ্যয়নৰ ক্ষেত্ৰখন অতিকৈ বহল। কিন্তু সেই অনুপাতে তেওঁৰ ৰচনা সমগ্ৰৰ বহুতো গুৰুত্বপূৰ্ণ দিশৰ অধ্যয়ন এতিয়ালৈকে হোৱা নাই। অসমৰ লেখক গোষ্ঠীৰ ভিতৰত কেইগৰাকীমানে বিষ্ণু ৰাভাৰ জীৱন আৰু সাহিত্য সম্পৰ্কত কেইখনমান গ্ৰন্থ প্ৰকাশ কৰিছে। তেনে কিছু গ্ৰন্থ হ'ল —

হীৰেণ গোহাঁইৰ সম্পাদনাত প্ৰকাশ পোৱা *'সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা'* গ্ৰন্থখনত ৰাভা সম্পৰ্কীয় কেইটামান আলোচনা পোৱা যায়। সূৰ্য্য হাজৰিকাৰ মুখ্য সম্পাদনাত প্ৰকাশ পোৱা *'ভিন্নজনৰ দৃষ্টিত বিষ্ণুপ্ৰসাদ ৰাভা'* শীৰ্ষক গ্ৰন্থখনত কেইবাগৰাকীও লেখকে ৰাভাৰ সামাজিক, সাহিত্যিক, ৰাজনৈতিক আদি বিভিন্ন দিশৰ বিষয়ে আলোকপাত কৰিছে। গুৰুপদ চৌধুৰীৰ 'মায়াবী মানুহজন' গ্ৰন্থত ৰাভাৰ ব্যক্তিত্বৰ আলোচনা পোৱা যায়। তিলক দাসৰ *'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি'*, *'বিষ্ণু ৰাভা পুনৰ আহিব উভতি'*, আৰু *'কলাগুৰু বিষ্ণুৰাভা'* গ্ৰন্থকেইখনত ৰাভাৰ বিষয়ে কিছু তথ্য পোৱা যায়। দেবেন্দ্ৰনাথ বৰাৰ *'বিষ্ণু ৰাভাৰ সংগ্ৰামী আভা'*ত ৰাভাৰ জীৱনৰ কেতবোৰ অজানা তথ্য প্ৰকাশিত হৈছে। শশী শৰ্মাৰ *'বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা'*, মোহনলাল মুখাৰ্জীৰ *'বিষ্ণুপ্ৰসাদ ৰাভা'*ত ৰাভাৰ জীৱনী প্ৰকাশ পাইছে। ইছমাইল হোছেইনৰ *'বিষ্ণপ্ৰসাদ ৰাভাৰ জীৱন আৰু দৰ্শন'* আৰু *'বিষ্ণুপ্ৰসাদ ৰাভা'* গ্ৰন্থখনত ৰাভাৰ জীৱন আৰু ব্যক্তিত্বৰ বিভিন্ন দিশ প্ৰকাশ পাইছে। তোযেশ্বৰ চেতিয়াৰ *'বিপ্লৱী শিল্পতত্ত্বৰ আভাষ'*নামৰ গ্ৰন্থখনত লিখকে প্ৰগতিশীল সাহিত্য সম্বন্ধীয় বিষয়ক আলোচনা কৰিছে আৰু লগতে সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ ওপৰত আলোকপাত কৰিছে।

পূৰ্বকৃত অধ্যয়ন সমীক্ষাত বিষ্ণু ৰাভাৰ জীৱন, কৰ্ম, ব্যক্তিত্ব, সাহিত্য, সাংস্কৃতিক চেতনা, ভাব-ভাষা আদি বিভিন্ন বিষয়ত আলোকসন্ধানী কিছুখিনি গ্ৰন্থৰ সন্ধেদ পোৱা গৈছে যদিও ৰাভাৰ জীৱন আৰু সাহিত্যত মাৰ্ক্সবাদী দৰ্শনৰ প্ৰভাৱ সম্পৰ্কীয় কোনোধৰণৰ পূৰ্ণাংগ গ্ৰন্থ পোৱা হোৱা নাই। আধুনিক প্ৰযুক্তিৰ নব্য উপাদান ফেচবুকৰ পাতত উপলব্ধ বিভিন্ন সাহিত্যিক গোট যেনে— অসমীয়াত কথা-বতৰা, সাহিত্য চৰা, গ্ৰন্থ সুবাস, কিতাপ, সাহিত্য ডট, তৰ্ক আদিৰো সময়ে সময়ে বিষ্ণু ৰাভাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে কৰা চমু আলোচনা পোৱা যায়।

**গৱেষণাৰ প্ৰমেয় ঃ**

১। কাৰ্ল মাৰ্ক্স, লেনিন, ষ্টেলিন, মাও-চে-তুঙ আদিৰ প্ৰভাৱে বিষ্ণু ৰাভাক কিদৰে প্ৰভাৱান্বিত কৰিছিল আৰু সেই প্ৰভাৱক তেওঁ কিদৰে জাতীয় মুক্তি সংগ্ৰামৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল সেই তথ্য পোহৰলৈ অনা।

২। সশস্ত্ৰ সংগ্ৰামৰ ধাৰণাই ৰাভাৰ ব্যক্তিগত জীৱন দৰ্শনত পেলোৱা প্ৰভাৱ আৰু সাহিত্য সমগ্ৰৰ মাজেৰে তাৰ প্ৰতিফলন কিদৰে পৰিস্ফুট হৈছিল সেই বিষয়ে অধ্যয়ন কৰা।

৩। প্ৰাক্ স্বাধীন আৰু স্বাধীনোত্তৰ কালত ৰাভাৰ সংগ্ৰামী সত্তাৰ পৰিৱৰ্তনশীল মানসিকতা সম্পৰ্কে অধ্যয়ন কৰা।

## প্ৰসংগটোকা

শইকীয়া, নগেন। *গৱেষণা পদ্ধতি পৰিচয়*। পৃ. ৪।